بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ১৩ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত খলিফ ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফৎ কালত মূৰ দাঙি উঠা মুৰতদ সকলৰ বিবাদ, বিদ্ৰোহৰ বিৰুদ্ধে পঠোৱা অভিযান সমূহৰ বৰ্ণনা**

أَشۡهَدُ أَنۡ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খিলাফৎ কালত যিবোৰ বিবাদে মূৰ দাঙি উঠিছিল, সেই বিলাকৰ বিৰুদ্ধে পঠোৱা অভিযান সমূহৰ বিষয়ে কৰা বৰ্ণনা সমূহত হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ বুতাহলৈ মালিক বিন নোৱেয়ৰাৰ বিৰুদ্ধে কৰা যুদ্ধ যাত্ৰাৰ বৰ্ণনা কৰোঁতে উল্লেখ কৰে যে মালিক বিন নোৱেয়ৰাৰ বনু আমিৰৰ এটা শাখা বনু ইয়াৰবুৰ সৈতে সম্পৰ্ক আছিল। তেওঁ নৱম হিজৰিত মদিনালৈ আহি ইছলাম গ্ৰহণ কৰে। আঁ-হজৰত (ছাঃ)য়ে তেওঁক তাৰ নিজৰ কবিলাৰ জাকাত আদায় কৰোঁতা কলেক্টৰ হিচাপে নিযুক্তি দিছিল। কিন্তু যেতিয়া তেখেত (ছাঃ)ৰ মৃত্যু হয় আৰু গোটা আৰবত মুৰতদ সকল আৰু বিদ্ৰোহে মূৰ দাঙি উঠে তেতিয়া মালিক বিন নোৱেয়ৰাৰও মুৰতদ সকলৰ লগত গৈ যোগদান কৰে। এই লোকজনে আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ খবৰ পাই আনন্দত মতলীয়া হৈ এক উৎসৱৰ আয়োজন কৰিছিল; আৰু তাতেই নিজৰ কবিলাৰ সেই লোক সকলক হত্যা কৰে যিসকলে জাকাত আদায় দিয়া ফৰজ বুলি বিশ্বাস কৰি জাকাতৰ ধন মদিনালৈ পঠোৱাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ পিছত তেওঁ নবুয়তৰ মিছা দাবীদাৰ আৰু বিদ্ৰোহী ছজাহাৰ সৈতে গৈ মিলে, ইতিমধ্যে যিজনে এটা ডাঙৰ সৈন্য বাহিনীলৈ মদিনাৰ ওপৰত আক্ৰমণ চলোৱাৰ যো-জা চলাইছিল।

আৰবৰ এজন বিখ্যাত আলিম ঈছাই কাহিনা উম্মে ছাদিৰ ছাজাহ বিনতে হাৰিছ কবিলা বনু তামিমৰ সৈতে সম্পৰ্ক ৰাখিছিল আৰু এই কেইজন নবুয়তৰ মিছা দাবীদাৰ বিদ্ৰোহী সকল কবিলাৰ নেতৃবৰ্গৰ অৰ্থাৎ চৰ্দাৰ লোক আছিল; যি সকলে আৰবত মুৰতদ সকলৰ বিদ্ৰোহৰ অলপ আগত নাইবা সেই সময়তে নিজকে পোহৰলৈ লৈ আনিছিল। ছাজাহ বিনতে হাৰিছ মনতে এই সিদ্ধান্ত লৈ আগবাঢ়ি আছিল যে নিজৰ লগতে এটা শক্তিশালী বাহিনী লৈ বনু তামিমত উপস্থিত হ'ব আৰু নবুয়তৰ ঘোষণা কৰি তাৰ ওপৰত ঈমান আনিবলৈ আমন্ত্ৰণ জনাব। এনেদৰে সকলো কবিলায় একমত হৈ তাৰ লগত মিলিব গৈ; আৰু উৱায়নাৰ দৰে বনু তামিয়েও এওঁৰ বিষয়ে এয়া ক'বলৈ

আৰম্ভ কৰিব যে বনু ইয়াৰবুৰ নবী কুৰাইছৰ নবীতকৈ উত্তম কাৰণ মহম্মদ (ছাঃ)ৰ মৃত্যু হৈছে আৰু ছাজাহ জীৱিত আছে।

ছাজাহ নিজৰ সৈন্যবাহিনী লগত লৈ বনু ইয়াৰবুৰ সীমান্তত গৈ ছাউনী পাতিছিল আৰু জবিলাৰ চৰ্দাৰ মালিক বিন নোৱেয়ৰাক মাতি আনি সন্ধি স্থাপন আৰু মদিনা আক্ৰমণৰ উদ্দেশ্যে নিজৰ লগত যাবলৈ আমন্ত্ৰণ জনায়। মালিকে সন্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল; কিন্তু তেওঁ মদিনা আক্ৰমণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দি কয় যে মদিনালৈ গৈ আবু বক্কৰৰ ফৌজৰ সৈতে যুদ্ধ কৰাতকৈ নিজৰ কবিলাৰ বিদ্ৰোহী সকলক দমন কৰাই উত্তম হ'ব।

মালিকৰ উক্ত পৰামৰ্শ অনুযায়ী ছাজাহ বনু ইয়াৰবুৰ বিভিন্ন চৰ্দাৰ সকলক সন্ধিৰ বাবে আমন্ত্ৰণ জনায়; কিন্তু অকিৰ বাহিৰে আৰু কোনেও এই আহ্বানলৈ সঁহাৰি জনোৱা নাছিল। ইয়াৰ পিছত তাই মালিক, অকি আৰু নিজৰ সৈন্য বাহিনী লগত লৈ বেলেগ চৰ্দাৰ সকলৰ ওপৰত আক্ৰমণ চলায়, যাৰ ফলত তুমুল যুদ্ধ সংগঠিত হয়; আৰু পৰস্পৰ আপোনজনৰ মাজতে অসংখ্য লোকৰ মৃত্যু ঘটে। লগতে এজনে আনজনক গ্ৰেপ্তাৰ কৰি লয়। কিছু দিন পিছত মালিক আৰু অকিয়ে এই মহিলাজনীৰ আনুগত্য কৰাটো নিজৰে এটা ডাঙৰ ভুল হোৱা বুলি উপলব্ধি কৰিব পাৰে। তেতিয়া তেওঁলোকে বেলেগ চৰ্দাৰৰ সৈতে চুক্তিবদ্ধ হৈ পৰস্পৰৰ কয়েদী সকলক মুক্ত কৰি লয়।

নিজৰ নিকৃষ্ট উদ্দেশ্য সফল কৰিব নোৱাৰি ছাজাহ বনু তামিমৰ পৰা মদিনাৰ ফালে গুচি আহে তাতে আহি আউচ বিন খোজায়মাৰ সৈতে সংঘৰ্ষত লিপ্ত হয় যদিও তাই পৰাজয় বৰণ কৰিছিল। আউচ কবিলাৰ লোকে ছাজাহক এই চৰ্ত সাপেক্ষে এৰি দিছিল যে তাই আৰু মদিনাৰ আশে-পাশেও আক্ৰমণ চলাব নোৱাৰিব।

ছাজাহৰ সেনা নায়ক সকলে মদিনালৈ যোৱাৰ বাট বন্ধ থকা দেখা পাই চিন্তাযুক্ত হৈ ছাজাহক ভৱিষ্যতৰ পৰকল্পনা সম্পৰ্কে সুধিছিল। তেতিয়া তাই ইয়াৰ উত্তৰত ওহী হোৱাৰ ভাও জুৰি এক মনগড়া কবিতা শুনাই বিশ্বাস নিয়াইছিল যে যদি মদিনালৈ যোৱাৰ বাট বন্ধ হৈছে তেন্তে তাত চিন্তাৰ কোনো কাৰণ নাই; এই বুলি ইয়ামামাৰ ফালে যাবলৈ আদেশ দিছিল। ছাজাহ যেতিয়া নিজৰ সৈন্য বাহিনীলৈ ইয়ামামা পাইছিলগৈ তেতিয়া মুছায়লিমা বৰ চিন্তাত পৰিছিল। তেওঁ ভাৱিছিল যে যদি তেওঁ ছাজাহৰ বাহিনীৰ সৈতে যুদ্ধ কৰে তেন্তে তাৰ শক্তি দুৰ্বল হৈ পৰিব আৰু আনফালেৰে ইছলামী সৈন্যই আহি তাৰ ওপৰত আক্ৰমণ চলাব আৰু ওচৰে-পাজৰে থকা কবিলা বিলাকেও তাৰ অবাধ্য হৈ পৰিব। এই কথাবোৰ চিন্তা কৰি মুছায়লিমা ছাজাহৰ সৈতে চুক্তিবদ্ধ হোৱাৰ সিদ্ধান্ত লয় আৰু উপঢৌকন আদি পঠোৱাই প্ৰস্তাৱ আগবঢ়ায় যে তেওঁ তাইৰ লগত মিলিব বিচাৰে। ছাজাহে এই প্ৰস্তাৱত সন্মত হয় আৰু মুছায়লিমা তাইৰ ওচৰলৈ অহাৰ অনুমতি দিয়ে। ইয়াৰ পিছত মুছায়লিমা বনু হানিফাৰ চল্লিশ জন লোকক লগত লৈ ছাজাহৰ ওচৰলৈ আহে আৰু ছাজাহাৰ সৈতে আলোচনাত বহে। ছাজাহক নিজৰ আয়ত্বাধীনত আনিবলৈ আৰু নিজৰ লগৰীয়া বনাই ল'বলৈ মুছায়লিমা এই বুদ্ধি পাঙে যে আমি দুয়োজনে নিজৰ নিজৰ নবুয়ত এঠাইত মিলাই লও আৰু আমি দুয়ো স্বামী স্ত্ৰীত গাঁথিত হওঁ। ছাজাহে এই পৰামৰ্শ গ্ৰহণ কৰে আৰু তিনিদিন সেই কেম্পত থকাৰ পিছত তাই নিজৰ সৈন্য বাহিনীৰ ওচৰত যায় আৰু লগৰীয়া সকলক কয় যে তাই মুছায়লিমাক সত্যৰ ওপৰত থকা দেখা পাইছে; সেয়ে তাই মুছায়লিমাৰ লগত বিবাহ পাশত আৱদ্ধ হৈছে। তেতিয়া লোক সকলে প্ৰশ্ন কৰিছিল যে আপোনাৰ বিবাহত মোহৰাণা নিৰ্ধাৰণ কৰিছেনে ? তাই উত্তৰ দিছিল নহয়, মোহৰাণা ধাৰ্য্য হোৱা নাই। এয়া শুনি লোক সকলে পৰামৰ্শ দিছিল যে আপুনি আকৌ ওভতি যাওঁক আৰু হক মোহৰাণা নিৰ্ধাৰণ কৰি আহঁক কাৰণ আপোনাৰ দৰে ব্যক্তিত্বপূৰ্ণ লোকৰ হক মোহৰাণা অবিহনে বিবাহ কৰোৱাটো অবৈধ হ'ব। গতিকে তাই গৈ মুছায়লিমাক নিজৰ উপস্থিতিৰ উদ্দেশ্য সম্পৰ্কে জনায়। তেতিয়া মুছায়লিমা তাইৰ বাবে ঈশাৰ নামাজ আৰু

ফজৰৰ নামাজ কম কৰি দিয়ে মুঠতে বন্ধ কৰি দিয়ে। এইদৰে এটা চুক্তি সম্পন্ন হয় যে তেওঁ ইয়ামামাৰ জমিনৰ খাজানাৰ অৰ্ধাংশ ছাজাহলৈ পঠাব। এই ঘটনাৰ পিছৰে পৰা তাই নিয়মিত বনু তগলিবত বসবাস কৰে আৰু তৌবা কৰে; আকৌ ইছলাম গ্ৰহণ কৰে। তাৰ পিছত  হজৰত আমিৰ মুৱাবিয়া দুৰ্ভিক্ষৰ বছৰত তাইক তাইৰ সম্প্ৰদায় বনু তামিমৰ ওচৰলৈ পঠাই দিছিল আৰু তাতে তাই মুছলমান অৱস্থাত মৃত্যু পৰ্যন্ত বসবাস কৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক আদেশ দিছিল যে তেখেতে তোলায়হা আল আছদিৰ সমস্যা সমাধান কৰি মালিক বিন নোৱেয়ৰাৰ সৈতে ৰণ কৰিবলৈ যাব যিয়ে বুতাহাত বাহৰ পাতি আছে। কিন্তু খালিদ (ৰাঃ)য়ে যেতিয়া বুতাহাত আহি পায় তেতিয়া দেখিবলৈ পায় যে তাত কোনেও নাই। এই অৱস্থা দেখি খালিদ (ৰাঃ)য়ে ইফালে সৈন্যদল ভাগে ভাগে পঠাই নিৰ্দেশ দিয়ে যে যতেই যাবা তাতে আগতে লোকক ইছলামলৈ আমন্ত্ৰণ জনাবা; যিজনে ইয়াৰ কোনো উত্তৰ নিদিব তাক গ্ৰেপ্তাৰ কৰি আনিবা আৰু যিজনে প্ৰতিদ্বন্দ্বিতা কৰিব তাক হত্যা কৰিবা। সেই সৈন্যদলবোৰৰে এটা দলে মালিক বিন নোৱেয়ৰা আৰু তাৰ লগত থকা বনু শ্বোৱালবা বিন ইয়াৰবুৰ কেইজনমান লোকক গ্ৰেপ্তাৰ কৰি লৈ আনে।

মালিক বিন নোৱেয়ৰাৰ হত্যা সম্পৰ্কে দুই ধৰণৰ বৰ্ণনাৰ উল্লেখ পোৱা যায়। এটা ৰিৱায়ত অনুযায়ী সেই দিনাখন ৰাতি প্ৰচণ্ড ঠাণ্ডা পৰিছিল। যেতিয়া শীতৰ প্ৰকোপ আৰু বাঢ়িবলৈ লৈছিল তেতিয়া হজৰত খালিদ (ৰাঃ)য়ে উচ্চস্বৰে আদেশ দিয়ে যে أَدْفِئُوا أَسْرَاكُمْ আমাৰ কয়েদীসকলক গৰম কৰা, কিন্তু বনু কিনানাৰ ব্যাখ্যা অনুসৰি এই শব্দৰ অৰ্থ হ’ল হত্যা কৰা। সৈন্যসকলে এই শব্দবোৰৰ মূলভাৱ স্থানীয় ছন্দত এটা ব্যাখ্যা বুলি ভাৱি অৰ্থ ভাঙনিত ভুল কৰি সকলো কয়েদীক হত্যা কৰি পেলায়। হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে যেতিয়া সৈন্য সকলৰ হাই উৰুমি শুনিবলৈ পায় তেতিয়া তম্বুৰ পৰা ওলাই আহে কিন্তু সেই সময়লৈকে খালিদ (ৰাঃ)ৰ সৈন্যই সকলো কয়েদীৰ হত্যা যজ্ঞ সমাপন কৰি পেলাইছিল। এই ঘটনা চাই হজৰত খালিদ (ৰাঃ)য়ে কৈছিল আল্লাহ তা’লা যিটো কৰিব বিচাৰে সেয়া তো যিয়েই নহওঁক সম্পন্ন হৈ হে এৰে।

আন এটা ৰিৱায়ত অনুসৰি হজৰত খালিদ (ৰাঃ)য়ে মালিক বিন নোৱেয়ৰাক নিজৰ ওচৰত মাতি পঠিয়াইছিল; ছাজাহৰ লগ দিয়া আৰু জাকাত নিদিয়া সম্পৰ্কে খং মিশ্ৰিত কথা শুনাই প্ৰশ্ন কৰে যে কিয় তুমি নাজানানে জাকাত নামাজৰ লগৰীয়া ? নোৱেয়ৰায় কৈছিল যে তোমালোকৰ চাহাবাৰ এয়াই ধাৰণা আছিলনে ? (অৰ্থাৎ ৰছুলুল্লাহৰ সলনি চাহাব বুলি মাতিছিল) তেতিয়া হজৰত খালিদ (ৰাঃ)য়ে কৈছিল তেখেত আমাৰ চাহাব হয়, তোমালোকৰ চাহাব নহয়নে ? তাৰ পিছত হজৰত খালিদ (ৰাঃ)য়ে হজৰত জৰাৰ (ৰাঃ)ক নোৱেয়ৰাক হত্যা কৰিবলৈ আদেশ দিছিল।

ঐতিহাসিক ৰিৱায়ত অনুসৰি এই বিষয়ে আবু কাতাদাহ (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ৰ লগত কথা পাতে আৰু দুয়োজনৰ মাজত এটা তৰ্ক-বিতৰ্ক হোৱাত আবু কাতাদাহ (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ৰ সৈতে মত বিৰোধ হৈ সৈন্য সামন্ত এৰি হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত গুচি আহে আৰু অভিযোগ কৰে যে হজৰত খালিদ (ৰাঃ)য়ে মালিক বিন নোৱেয়ৰাক হত্যা কৰোৱাইছে; অথচ সি মুছলমান আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত আবু কাতাদাহ (ৰাঃ)ৰ লগত এই বিষয়ে খং কৰিছিল যে তেওঁ কিয় সেনা নায়ক হজৰত খালিদ (ৰাঃ)ৰ অনুমতি নোলোৱাকৈ সৈন্য এৰি মদিনালৈ আহিছে। লগতে তাক ওভতি যাবলৈ আদেশ দিয়ে। ইতিহাস তিব্ৰিত আৰু বৰ্ণনা পোৱা যায় যে হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত আবেদন জনায় যে হজৰত খালিদ (ৰাঃ) এজন মুছলমানৰ হত্যাৰ বাবে জগৰীয়া,  যদি এই কথাযাৰ প্ৰমাণিত নহয়; তথাপি অন্তত এয়া

প্ৰমাণিত যে মালিক বিন নোৱেয়ৰাক হত্যা কৰা হৈছে; গতিকে হজৰত খালিদক অপসাৰিত কৰি বন্দী কৰিব লাগে। হজৰত উমৰ (ৰাঃ)য়ে বিষয়টো লৈ বৰ আকোৰ গোজ হৈ পৰিছিল। যিহেতু আবু বক্কৰ (ৰাঃ)য়ে কেতিয়াও নিজৰ আমাল আৰু ফৌজী বিষয়া সকলক গ্ৰেপ্তাৰ কৰা নাছিল সেয়ে তেখেত (ৰাঃ)য়ে কৈছিল- হে উমৰ ! তুমি এই বিষয়ে মনে মনে থাকা ! খালিদ বিন অলিদৰ সঠিক সিদ্ধান্ত লোৱাত আৰু কথাৰ প্ৰকাশ ভংগীত ভুল হৈছে, তুমি তাৰ বিষয়ে কেতিয়াও আৰু একো নকবা। তাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে মালিকৰ হত্যাৰ বাবে জৰিমনা ভৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে পত্ৰ যোগে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক মদিনালৈ মাতি পঠিয়াইছিল। সেই মতেই খালিদ (ৰাঃ)য়ে মদিনালৈ আহে আৰু মালিকৰ হত্যাৰ ঘটনা খুলি বৰ্ণনা কৰি ক্ষমা খোজে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেত (ৰাঃ)ৰ ক্ষমা কবুল কৰি লয়।

শ্বৰাহ মুছলিম ইমাম নৌৱা (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে মালিক বিন নোৱেয়ৰাৰ হত্যাকাণ্ড সম্পৰ্কে অনুসন্ধান কৰি গম পাইছিল যে খালিদ বিন অলিদ (ৰাঃ)য়ে এই হত্যাকাণ্ডৰ পৰা অভিযোগ মুক্ত। এখেত (ৰাঃ)য়ে এই ঘটনাৰ আচল বিষয়ৰ ওপৰত বেলেগতকৈ এজন খলিফা হিচাপে বেছি দৃষ্টি দিছিল আৰু তেখেত (ৰাঃ)ৰ ঈমান সকলোৰে ওপৰত এটা গধুৰতা বহন কৰিছিল। হজৰত খালিদ (ৰাঃ)ৰ সৈতে কৰা আচৰণত এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক অনুসৰণ কৰিছিল।

হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ বিৰুদ্ধে আৰু এটা অভিযোগ উত্থাপন কৰা হয় যে এখেত (ৰাঃ)য়ে যুদ্ধ চলাকালীন এজন নিহতৰ পত্নী উম্মে তামিত লায়লা বিনতে মিনহালক বিবাহ কৰায়। এনেকি ইদ্দতৰ সময় হোৱা লৈও অপেক্ষা কৰা নাছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে এই অভিযোগৰ উত্তৰত হজৰত শ্বাহ আব্দুল আজিজ দেহলবীৰ বৰ্ণনাৰ পৰা উল্লেখ কৰে যে আচলতে এয়া এটা মনে গঢ়া কাহিনী মাত্ৰ। মালিক বিন নোৱেয়ৰা সেই মহিলা জনীক বহুদিন আগতেই তালাক দিছিল আৰু মূৰ্খতাৰ বলি হৈ তাইক ঘৰতেই ৰখা হৈছিল। সাধাৰণতে এই মূৰ্খতা দূৰ কৰিবলৈ এই আয়াত নাযিল হৈছে,

وَاِذَا طَلَّقۡتُمُ النِّسَآءَ فَبَلَغۡنَ اَجَلَهُنَّ فَلَا تَعۡضُلُوۡهُنَّ

(আল বাকাৰা আয়াত ২৩৩)

যেতিয়া তুমি মহিলা সকলক তালাক দি দিবা তাইৰ ইদ্দত পূৰ্ণ হোৱাৰ পিছত তাইক আৱদ্ধ কৰি নাৰাখিবা। গতিকে এই মহিলাজনীৰ তো কেতিয়াবাই ইদ্দত পূৰ্ণ হৈছিল আৰু বিবাহ তাইৰ বাবে বৈধ হৈ পৰিছিল কাৰণ তেওঁ তালাক দি কেৱল নিজৰ ঘৰতেই ৰাখিছিল।

হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে বনু হানিফাৰ বিৰুদ্ধে যুদ্ধাভিযান কৰি ইয়ামামালৈ যোৱা সম্পৰ্কে উল্লেখ আছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক আদেশ দিছিল যে কবিলা আছদ, গোথফান আৰু মালিক বিন নোৱেয়ৰাৰ সমস্যা সমাধানৰ পিছত ইয়ামামালৈ যাত্ৰা কৰিব। এয়া বৰ জৰুৰী আদেশ আছিল। শৰিক বিন আবদাৰ বৰ্ণনা সম্পৰ্কে চমু আলোচনা আগবঢ়াই হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাৰ শেষত কয় যে ইয়ামামাৰ যুদ্ধ সম্পৰ্কে ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 13 MAY 2022**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**